অসমীয়া

প্ৰশ্নকাকত—II

(সাহিত্য)

সময় : 3 ঘণ্টা | সৰ্বাধিক নম্বৰ : 250

প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা

প্ৰশ্নকাকতখনত দুটা শাখাত আঠটা প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল পাঁচটা প্ৰশ্নৰ উত্তৰ কৰা।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী তিনিটাৰ কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও এটাকৈ বাচি লৈ উত্তৰ কৰা।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰা।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰা।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰা। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা।

ASSAMESE

PAPER—II

(LITERATURE)

Time Allowed : Three Hours | Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত হ'ব লাগিব : 10×5=50

(a) পিতৃৰ মৃত্যু আৰু ৰামচন্দ্ৰৰ বনবাসৰ কথা শুনি ভৰতে কেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল ?

(b) সত্যভামাৰ কি কাৰণে ঈৰ্ষা জন্মিছিল আৰু সেই ঈৰ্ষাৰ জুই কেনেকৈ নিৰ্বাপিত হৈছিল ?

(c) মাধৱদেৱে ৰচনা কৰা ৰৱগীতসমূহৰ মাজেৰে প্ৰধানকৈ কি ৰসৰ পৰিস্ফুৰণ ঘটিছিল আৰু সেই ৰস কিহলৈ উত্তীৰ্ণ হৈছিল ?

(d) ৰাসক্ৰীড়াৰ সময়ত শ্ৰীকৃষ্ণই গোপিনীসকলক কি অপ্ৰিয় বাণী শুনাইছিল আৰু ফলত কি হৈছিল ?

(e) 'কথা ভাগৱত'ত বৰ্ণিত ভাগৱতৰ দশ লক্ষণ কি কি ?

2. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'ৰাজসূয় কাব্য'ৰ ইন্দ্ৰপ্ৰস্থ আৰু সুধৰ্মা সভাৰ বৰ্ণনাত মাধৱদেৱৰ কাব্য-প্ৰতিভা কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰাঁ। 20

(b) 'কথা ভাগৱত'ৰ আলমত ভট্টদেৱৰ গদ্যৰীতিৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰাঁ। 15

(c) 'গুৰুচৰিত কথা'ৰ আলমত শংকৰদেৱ আৰু মহাৰাজ নৰনাৰায়ণৰ বাৰ্তালাপৰ আভাস দিয়াঁ। 15

3. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''ভৈলন্ত মণ্ডলাকাৰ হাতে গলে ধৰি।
সবে বোলে মোকসে আলিঙ্গি আছে হৰি।''

এই কথাষাৰৰ পটভূমি আৰু তাৎপৰ্য ব্যাখ্যা কৰাঁ। 20

(b) 'ৰাজসূয় কাব্য'ৰ ময়দানৱ চৰিত্ৰটি বিশ্লেষণ কৰাঁ। 15

(c) 'গুৰুচৰিত কথা'ৰ আধাৰত মধ্যযুগৰ অসমৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ আভাস দিয়াঁ। 15

Optional Province · optionalprovince.com

4. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'পাৰিজাত হৰণ' নাটখনক শংকৰদেৱৰ সৰ্বশ্ৰেষ্ঠ নাট বোলাৰ যথাৰ্থতা আলোচনা কৰাঁ। 20

(b) 'গুৰুচৰিত কথা'ৰ গদ্যৰীতিৰ আভাস দিয়াঁ। 15

(c) ৰামায়ণৰ 'অযোদ্ধা কাণ্ড'ৰ কাব্যিক সৌন্দৰ্যৰ সম্যক আভাস দিয়াঁ। 15

SECTION—B

5. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত হ'ব লাগিব : 10×5=50

(a) 'মোৰ জীৱন সোঁৱৰণ'ৰ আধাৰত বেজবৰুৱাই পিতৃৰ সৈতে নামনিৰ পৰা উজনিলৈ কৰা নৌকাযাত্ৰাৰ অভিজ্ঞতাৰ বৰ্ণনা কৰাঁ।

(b) 'মনোমতী' উপন্যাসত লক্ষ্মীকান্ত আৰু মনোমতীৰ মিলন ক'ত, কেতিয়া আৰু কেনেকৈ হৈছিল?

(c) 'গাঁওবুঢ়া' নাটকত নাট্যকাৰে কেনেদৰে হাস্যৰস সৃষ্টি কৰিছিল?

(d) 'সম্ৰাট'ত কবিয়ে কাৰ কথা বৰ্ণনা কৰিছে আৰু তেওঁ কিহৰ কাৰণে অনুশোচনা কৰিছে?

(e) 'মৃত্যুঞ্জয়'ত ৰেল বগৰোৱাৰ পৰিকল্পনা কোনে, ক'ত আৰু কেনেকৈ কৰিছিল?

6. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) '' 'জীৱনৰ বাটত' উপন্যাসৰ কাহিনীত অদৃষ্টবাদৰ ছায়া সুস্পষ্ট।'' কথাষাৰৰ যথাৰ্থতা বিশ্লেষণ কৰাঁ। 20

(b) 'কাৰেঙৰ লিগিৰী'ত কাঞ্চনমতীৰ চৰিত্ৰটি কেনেদৰে চিত্ৰিত কৰা হৈছে? 15

(c) 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ৰ কোনটো কাহিনীয়ে তোমাক মোহিত কৰিছে আৰু কিয়? 15

7. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'জীৱনৰ বাটত' উপন্যাসত পুৰণি আৰু নতুন চিন্তা-ভাবনাৰ বিৰোধ কেনেদৰে প্ৰকাশ কৰা হৈছে, আলোচনা কৰাঁ। 20

(b) 'প্ৰতিমা' কবিতাটিৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। 15

(c) মনোমতী চৰিত্ৰটি বিশ্লেষণ কৰাঁ। 15

Optional Province · optionalprovince.com

8. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'পুৰণি অসমীয়া সাহিত্য'ৰ আলমত 'বৰগীত' সম্বন্ধে বহলাই আলোচনা কৰাঁ। 20

(b) 'কাৰেঙৰ লিগিৰী'ৰ সুন্দৰ কোঁৱৰৰ মানসিক দ্বন্দ্বৰ বিশ্লেষণ কৰাঁ। 15

(c) 'সম্ৰাট' কবিতাটি আধুনিক কবিতাৰ শাৰীত পৰেনে? শব্দচয়ন, ছন্দ আৰু ভাবৰ আধাৰত বিশ্লেষণ কৰাঁ। 15

★ ★ ★

Optional Province · optionalprovince.com